অধ্যায় ৬ ঃ হেমচন্দ্র গোস্বামীৰ কবিতা ঃ প্ৰিয়তমাৰ চিঠি

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 ইংৰাজী সাহিত্যৰ ছনেট কবিতা

6.4 অসমীয়া ছনেট বা চতুৰ্দশপদী কবিতা

6.5 *প্ৰিয়তমাৰ চিঠি*

6.5.1 কবি পৰিচয়

6.5.2 হেমচন্দ্ৰ গোস্বামীৰ কবিতা

6.5.3 কবিতাটিৰ সাধাৰণ আলোচনা

6.5.4 কবিতাটিত ৰমন্যাসিক চিন্তাৰ প্ৰতিফলন

6.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.7 অধিক জানিবলৈ

6.8 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

6.9 আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ছনেট বা চতুৰ্দশপদী কবিতা আৰু তাৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- অসমীয়া ছনেট বা চতুৰ্দশপদী কবিতাৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰি
- হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- *প্ৰিয়তমাৰ চিঠি* কবিতাটোৰ বিষয়বস্তু আৰু কবিতাটিত প্ৰতিফলিত ৰমন্যাসিক চিন্তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰমন্যাসিক কবিতা *বীণ-বৰাগীৰ* বিষয়ে অধ্যয়ন কৰিলে। সেই কবিতাটিৰ আলোচনাৰ প্ৰসঙ্গত আমি ৰমন্যাসবাদ আৰু ৰমন্যাসবাদৰ বৈশিষ্ট্যসমূহৰ বিষয়েও আলোচনা কৰিছিলোঁ। তদুপৰি অসমীয়া ৰমন্যাসিক কবিতাৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিলে। এই অধ্যায়টিত আমি আন এজন প্ৰধান ৰমন্যাসিক কবি হেমচন্দ্ৰ গোস্বামীৰ *প্ৰিয়তমাৰ চিঠি* কবিতাটিৰ বিষয়ে আলোচনা কৰিম।


প্ৰিয়তমাৰ চিঠি কবিতাটিৰ লিখাৰ শৈলী হৈছে 'ছনেট'। এই কবিতাটোৰেই হৈছে এই আৰ্হিত লিখা প্ৰথম অসমীয়া কবিতা বা প্ৰথম অসমীয়া ছনেট। ছনেটটো ৰচনা কৰা হৈছে পেট্ৰাৰ্ক

(Petrach)ৰ আৰ্হিত। ৰমন্যাসবাদী দৃষ্টিকোণ এই কবিতাটোৰ প্রধান উপজীব্য। কঠিন-কোমল দুয়ো ধৰণৰ শব্দৰ সমাৱেশে কবিতাটোক সৌন্দর্য প্রদান কৰিছে। অধ্যায়টিত ছনেট মানে কি সেই বিষয়েও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে।

৬.৩ ইংৰাজী সাহিত্যৰ ছনেট কবিতা

পাঠ্যবিষয়ত অন্তর্ভুক্ত *প্রিয়তমাৰ চিঠি* কবিতাটি আলোচনা কৰাৰ আগতে ছনেট মানে নো কি সেই বিষয়ে আমি সম্যক ধাৰণা লাভ কৰি ল'ব লাগিব। ছনেট এবিধ গীতি কবিতা। এটা স্তৱকতে ইয়াক ৰচনা কৰা হয়। ছনেটত 14টা শাৰী থাকে। এবিধ অন্তর্লীন ছন্দ আঁচনিৰে স্তৱকটো সম্পর্কিত।

ইংৰাজীত এই ছন্দৰীতিয়ে সাধাৰণতে দুটা মুখ্য পেটার্ণৰ যিকোনো এটা অনুসৰণ কৰে। ইটালীয় বা পেট্রার্কীয় ছনেট (চতুর্দশ শতিকাৰ ইটালীয় কবি পেট্রার্কৰ সোঁৱৰণত)ৰ দুটা অংশ— এটা অংশক কোৱা হয় অষ্টক (Octave),ইয়াত থাকে 8টা শাৰী। ইয়াৰ ছন্দ সজ্জা এনে ধৰণৰ— abba, abba; পিছৰ অংশক কোৱা হয় ষষ্টক (Sestet), ইয়াত থাকে 6টা শাৰী। ইয়াৰ ছন্দ সজ্জা এনে ধৰণৰ— cde cde; কেতিয়াবা কিছু সলনিকৈ এনে ধৰণৰ হয়— cdccde। পেট্রার্কৰ ছনেটসমূহ প্রথমে অনুসৰণ কৰা হৈছিল ইংলেণ্ডত। এই ৰূপায়ণ আছিল বিশেষকৈ ৰূপ আৰু মুখ্য বিষয়বস্তুৰ ফালৰ পৰা। এনেবোৰ বিষয়বস্তুৰ জৰিয়তে মূর্ত হয় প্রেমিকৰ আশা আকাংক্ষা। Sir Thomas Wyatt নামৰ ষষ্ঠদশ শতিকাৰ আৰম্ভণিৰ এগৰাকী কবিয়ে এনে বিষয়বস্তুৰে কবিতা ৰচনা কৰিছিল। পেট্রার্কীয় ৰূপৰ ছনেট পাছলৈ লিখিছিল মিল্টন, ৱর্ডচৱর্থ, ডি. জি ৰচ্ছেটি আৰু অন্যান্য ছনেটকাৰসকলে। ইংৰাজীত মূল ইটালীয় চনেট ৰূপ সৰলীকৃত হোৱা দেখা যায়। ইংৰাজী ছন্দসজ্জাত ইটালীয় ছনেটৰ ছন্দমিলনৰ বৈচিত্র্য নাই। ইয়াৰ পৰিৱর্তে তেওঁলোক অষ্টক (Octave) ৰ দ্বিতীয় অংশত ছন্দৰ যুটিৰ সূচনা কৰিছে।



জানি থোৱা ভাল

ত্রয়োদশ শতিকাত ছিচিলিত গিয়াক'ম দ্যা লেণ্টিনো (Giacomo da Lentino)ৰ হাতত ছনেটৰ জন্ম হয়। তেওঁ ইটালীৰ ছিচিলি অঞ্চলৰ কথিত ভাষাত কবিতা ৰচনা কৰিছিল। ইংৰাজী Sonnet শব্দটো ইটালীয় Sonettoৰ পৰা আহিছে। শ্বেইক্সপীয়েৰৰ জন্মৰ দুশ বছৰৰ আগতে ইটালীয় কবি পেট্রার্কে ছনেটক জনপ্রিয় কৰি তুলিছিল। ছাৰ থমাছ ৰাটে (Sir Thomas Wyatt) ইংলণ্ডত ছনেটৰ শুভাৰম্ভ ঘটায়।

The Earl of Surrey আৰু অন্যান্য ইংৰাজ পৰীক্ষামূলক ছনেটকাৰসকলে ষষ্ঠদশ শতিকাত এবিধ নতুন ছনেটৰ বিকাশ সাধন কৰিছিল। ইয়াক অভিহিত কৰা হৈছিল 'ইংৰাজী ছনেট' বুলি। ইয়াৰ আন এটা নাম 'শ্বেইক্সপীয়েৰীয় ছনেট'। মহান ছনেট ৰচক শ্বেইক্সপীয়েৰৰ

নামেৰে এই ছন্দৰ নামকৰণ কৰা হৈছিল। এই ছনেটত তিনিটা Quatrains থাকে আৰু সামৰণিত এটা Couplet (যুগ্মক) থাকে। ইয়াৰ ছন্দ সজ্জা এনেধৰণৰ— ab, ab, cdcd, ef ef, gg। এই ছনেটৰে আন এটা উল্লেখযোগ্য ৰূপ দেখা যায়। ইয়াক 'স্পেনছাৰীয় ছনেট' বুলি কোৱা হয়। এইবিধ ছনেটত স্পেনছাৰে প্রতিটো Quatrain ক পাছৰটোৰে সংযোগ কৰা হয় প্রবাহমান এটি ছন্দৰে— ab ab, bc bc, cd cd, ee।

জন ডানে পূর্বৰ প্রথাগত প্রেমৰ সলনি ছনেটত বিভিন্ন ধর্মীয় বিষয়বস্তুৰ অৱতাৰণা কৰিছিল। তেওঁৰ ছনেট সমূহক Holy Sonnets বুলি কোৱা হৈছিল। তেনেদৰে মিল্টনে গভীৰ চিন্তামূলক অন্য বিষয়ৰ ৰূপায়ণৰ জৰিয়তে ছনেটৰ পৰিসৰ বৃদ্ধি কৰিছিল। এইবিধ ছন্দৰীতি যতিহীনভাৱে প্রবহমান হৈ আছিল। কেৱল ইংৰাজী নব্য ধ্রুপদী সময়ছোৱাত অর্থাৎ অষ্টাদশ শতিকাৰ প্রথম ভাগত ইয়াৰ ধাৰাবাহিকতাত যতি পৰিছিল। ছনেটৰ ছন্দসজ্জা আধুনিক কবি ই. এ. ৰবিনছন, ডব্লিউ, এইচ. অডেন আৰু ডিলান টমাছৰ দৰে কবিসকলৰ মাজতো জনপ্রিয় আছিল। ইয়াৰ স্তৰক এটা সুন্দৰ জটিল লিৰিকৰ বিকাশৰ বাবে যিমান দীঘলীয়া হ'ব লাগে সিমানখিনিয়েই ইয়াৰ দৈর্ঘ্য আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ছনেট বুলিলে কি বুজে চমুকৈ লিখক? (75টা শব্দৰ ভিতৰত)

৬.৪ অসমীয়া ছনেট বা চতুর্দশপদী কবিতা

ইংৰাজী ছনেটৰ অনুপ্রেৰণাতে অসমীয়া ছনেট গঢ় লৈ উঠে। বাংলা কবি মাইকেল মধুসূদন দত্তই ইয়াক চতুর্দশপদী কবিতা বুলি অভিহিত কৰিছে। অসমীয়াতো বহুতে এই অভিধাটো আদৰি লৈছে। অৱশ্যে মহেন্দ্র বৰাই 'অসমীয়া কবিতাৰ ছন্দ' শীর্ষক কিতাপখনত এই নামতো সম্পর্কে ঐক্যমত পোষণ কৰা নাই— "পদ শব্দটো যিহেতু বিভিন্ন অর্থবাচক, সেইবাবে সেই নাম নৰখাই উচিত।"

অসমীয়া ছনেটৰ ইতিহাস বৰ বেছি দীঘলীয়া নহয়। অসমীয়া ভাষাৰ ছনেটকাৰ বুলি কওঁতে আমি নাম ল'ব লগা হয় হেমচন্দ্র গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ডিম্বেশ্বৰ নেওগ আদি। নীলমণি ফুকনৰ কবিতাখিনিক প্রকৃত অর্থত ছনেট বুলি ক'ব নোৱাৰি।

এই দৃঢ়পিনদ্ধ ছন্দসজ্জাৰ সর্বমুঠ চৰণ সংখ্যা চৈধ্য। এই চৰণসমূহ পয়াৰৰ ৰূপত বিন্যস্ত। ছনেট নির্মাণৰ দুটা স্বতন্ত্র ৰীতি আছে। এই সম্পর্কে ইয়াৰ পূর্বৰ শাখাটিত ইতিমধ্যে আলোচনা কৰা হৈছে। তথাপি অসমীয়া ছনেটৰ প্রসঙ্গত এনে ধৰণে আলোচনা কৰিব পাৰি। পেট্রাৰ্কীয় ছন্দ ৰীতিৰ প্রসঙ্গত ক'ব পাৰি যে এই ৰীতি অনুসৰি প্রতিটো ছনেটৰ দুটা স্তৰক থাকে। প্রথম স্তৰকটো আঠোটা চৰণেৰে ৰচিত এক অষ্টক। এই অষ্টক এনেদৰে সজোৱা হয়— ক-খ-খ-ক, ক-খ-খ-

ক। ইয়াক অনুসৰণ কৰে দুটা চৰণেৰে ৰচিত এক ষড়কে। সাধাৰণতে শাৰীৰ ফালৰ পৰা ইয়াক এনেদৰে সজোৱা হয়— গ-ঘ-গ, ঘ-গ-ঘ। পেট্রার্কীয় ছনেটৰ সুন্দৰ অসমীয়া ৰূপায়ণ হ'ল হেমচন্দ্র গোস্বামীৰ *প্রিয়তমাৰ চিঠি*। পৰৱর্তী শাখাটিত এই ছনেটটি সম্পর্কে বিশদ আলোচনা কৰা হৈছে বাবে ইয়াত মাথো উল্লেখহে কৰা হ'ল।

অসমীয়া ভাষাত শ্বেইক্সপীয়েৰীয় ছনেটৰো প্রচলন আছে। পেট্রার্কীয় ছনেটৰ গঠনৰ দৃঢ়তা শ্বেইক্সপীয়েৰৰ ছনেটত নাই বুলিয়েই ছন্দৰ বন্ধনতকৈ ইটো শব্দৰ লগত সিটো শব্দৰ সম্পর্কই অনা স্পন্দনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই শিথিলতাৰ বাবে অষ্টক আৰু ষষ্টকৰো ব্যৱহাৰ অস্পষ্ট। ইয়াত তিনিটা চতুষ্ক (Quatrain) আৰু এটা যুগ্মকেৰেই ছনেটৰ 14টা পংক্তি ৰচিত হয়।

পেট্রার্কীয় আর্হিৰ ছনেটহিচাপে হেমচন্দ্র গোস্বামীৰ *প্রিয়তমাৰ চিঠিৰ* কথা যিদৰে কোৱা হয়, তেনেদৰে ছেইক্সপীয়েৰীয় আর্হিৰ চনেট বুলিলে পদ্মনাথ গোহাঞি বৰুৱাৰ 'কবিতা' নামৰ ছনেটটোৰ কথা কৈ ল'ব লগা হয়—

নিমাত বিশ্বৰ ভাষা জড়-জগতত, Ô ক
অব্যক্ত ভাবৰ হেতু মানসী দুৱাৰ, Ô খ
সজীৱ কবিতা সৃষ্টি এই মৰতত, Ô ক
নির্জীৱ কল্পনা কৰি অজৰ অমৰ। Ô খ
নিৰাশ প্রেমিকে সাজে সান্ত্বনা মন্দিৰ, Ô গ
পূর্ণ মিলনত ফুটে প্রণয়ৰ ভাষা, Ô ঘ
উন্মাদ পৰাণ হয় শান্তি সুগভীৰ, Ô গ
কবিতাৰ পাতনিত তৰি তাৰ আশা। Ô ঘ
সপোন ৰাজ্যৰ এই সৌন্দর্য আঁকৰ, Ô চ
দিঠকৰ নানা ফুল ফুলে ফুলনিত, Ô ছ
কবিয়ে পিন্ধায় সাজ তাৰে জগতৰ, Ô চ
শান্তিৰ আঁজলি পাতে তাৰ আঁজলিত, Ô ছ
স্বর্গীয় ছায়াৰে সৈতে কল্পতৰু কিনি, Ô জ
সংসাৰ জাৰণি মাজে ভাগৰ জিৰণি Ô জ

অসমীয়া চতুর্দশপদী কবিতাবিলাকৰ সৰহভাগতে এনে নির্দিষ্ট মিত্রবর্ণ বিন্যাসৰ পদ্ধতি দেখা নাযায়। অসমীয়া ছনেটলৈ বিশেষভাবে অৰিহণা যোগাওঁতা হিতেশ্বৰ বৰবৰুৱাই ইটালীয় আর্হিৰ চনেট ৰচনা কৰিছিল। তেনে এটি ছনেট হ'ল *উটি যোৱা বন* —

যোৱা বন, যোৱা তুমি, যোৱা উটি বুৰি Ô ক
নইৰ সোঁতত। এই জগত অসাৰ। Ô খ
পদুম পাতৰ পানী অনিত্য সংসাৰ! Ô খ
মায়াৰ পাকত আমি ফুঁৰো মাতো ঘূৰি Ô ক

কত ৰজা মহাৰজা আছিল ইয়াত Ô গ
তোমাৰ নিচিনাকৈয়ে উটি বুৰি গ'ল Ô ঘ
কালৰ সোঁতত হায়! চিনো যে নৰ'ল। Ô ঘ
যোৱা গৈ তুমি বন! তোমাৰ দৰেই Ô গ
যোৱা উটি, যোৱা বন! তোমাৰ দৰেই Ô চ
আমিওতো আছো উটি কাল সমুদ্রত! Ô ছ
কতদূৰ যাব আৰু লাগিব সোঁতত, Ô ছ
উটি বুৰি তোমাৰ দৰে জানিছে কালেই!! Ô চ
নোহোৱা কেৱল উটিছা সোঁতত, Ô জ বা ছ
কালৰ সোঁতত উটে গোটেই জগত। Ô জ বা ছ

ইয়াত মিত্রবর্ণৰ অৱস্থান এনে ধৰণৰ— ক খ ক খ। কিন্তু ইয়াত অষ্টক আৰু ষষ্টকৰ ভাগ নাই।

পদ্মনাথ গোহাঞিবৰুৱাৰ চনেটৰ ক্ষেত্রতো দেখা যায় মিত্রবর্ণ বিন্যাসৰ শিথিলতা। ৰবীন্দ্র নাথ ঠাকুৰৰ ছনেটৰ দৰে এইবোৰতো সাতোটা যুগ্মক দেখা যায়।



চিন্তা-চর্চা কৰক ৬.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে অসমীয়া ছনেটকাৰ সকলৰ কবিতাৰ বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰক।

৬.৫ প্রিয়তমাৰ চিঠি

ইতিমধ্যে আপুনি ছনেট মানে কি, তাৰ বৈশিষ্ট্য সম্পর্কে চমুকৈ অধ্যয়ন কৰাৰ লগতে অসমীয়া ছনেট কবিতাৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিলে। এতিয়া আমি আমাৰ পাঠ্যবিষয়ৰ আলোচ্য কবিতাটি আলোচনা কৰিম। কবিতাটিৰ আলোচনাৰ প্রসঙ্গত কবি হেমচন্দ্র গোস্বামীৰ পৰিচিতি দাঙি ধৰাৰ লগতে তেওঁৰ কবিতা সম্পর্কেও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। মন কৰিব যে এই কবিতাটিৰ আলোচনাৰ প্রসঙ্গত, অর্থাৎ কবিতাটিৰ ছন্দসজ্জাৰ বিষয়ে উল্লেখ কৰাৰ সময়ত সম্পূর্ণ কবিতাটি তুলি দিয়া হৈছে বাবে আগৰ অধ্যায় কেইটিৰ দৰে বেলেগে কবিতাটিৰ মূল পাঠখিনি উল্লেখ কৰা নাই।

৬.৫.১ কবি পৰিচয়

হেমচন্দ্র গোস্বামী অসমীয়া ভাষা, সাহিত্য আৰু পুৰাতত্ত্ব বিষয়ক গৱেষণাৰ পুৰোধা ব্যক্তি। এই কথা সর্বজনবিদিত যে চন্দ্রকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ লগ লাগি হেমচন্দ্র গোস্বামীয়ে *জোনাকী* কাকত প্রতিষ্ঠা কৰিছিল।

জোনাকীত প্রকাশিত তেওঁৰ প্রবন্ধই অসমীয়া ভাষা যে বঙলা ভাষাৰ পৰা স্বতন্ত্র সেই কথা প্রতিষ্ঠা কৰাত সহায় কৰিছিল। হেমচন্দ্র গোস্বামীৰ 'A Descriptive Catalogue of Assamese Manuscripts' আৰু 'অসমীয়া সাহিত্যৰ চানেকি'য়ে বাহিৰৰ মানুহক অসমীয়া ভাষা আৰু সাহিত্যৰ লগত পৰিচয় কৰাই দিছিল।

গোলাঘাটৰ গৌৰাংগ সত্রৰ এটা ব্রাহ্মণ পৰিয়ালত 1872 চনৰ 8 জানুৱাৰী তাৰিখে হেমচন্দ্র গোস্বামীৰ জন্ম হয়। তেওঁৰ পিতৃ ডম্বৰুধৰ গোস্বামী গৌৰাঙ্গ সত্রৰ সত্রাধিকাৰ হোৱাৰ লগতে মৌজাদাৰো আছিল। হেমচন্দ্রৰ 8 বছৰ বয়সত তেওঁৰ পিতৃৰ বিয়োগ ঘটে। তেওঁৰ মাতৃ ঘনকান্তি দেৱীয়ে হেমচন্দ্র আৰু তেওঁৰ দুটি ভায়েকক দুখ-দাৰিদ্র্যৰ মাজেৰে ডাঙৰ-দীঘল কৰিছিল। সময়ত হেমচন্দ্রক স্কুলীয়া শিক্ষা লাভৰ বাবে তেওঁৰ মাতৃয়ে তেওঁক নগাঁৱৰ আত্মীয়ৰ ঘৰলৈ পঠিয়াই দিছিলে। সেই সময়ছোৱাত নগাঁও আছিল অসমৰ বৌদ্ধিক হৃদপিণ্ডস্বৰূপ। স্কুলীয়া কালতে তেওঁ গুণাভিৰাম বৰুৱা সম্পাদিত *আসাম বন্ধু* কাকতলৈ কবিতা লিখি পঠিয়াইছিল। সময়ত তেওঁৰ কবিতাসমূহ কাকতখনত প্রকাশিত হৈছিল। কবি, বুৰঞ্জীবিদ সূর্যকুমাৰ ভূঞাই তেওঁৰ এই প্রকাশিত কবিতাসমূহৰ উচ্চ প্রশংসা কৰিছিল।

নগাঁও গভর্ণমেণ্ট স্কুলৰ পৰা 1888 চনত হেমচন্দ্র প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পিছত কলিকতা প্রেছিডেন্সি কলেজৰ পৰা হেমচন্দ্রই 1890 চনত এফ.এ. পাছ কৰে। কিন্তু বি.এ. পৰীক্ষাত তেওঁ উত্তীর্ণ নহ'ল। 1894 চনত তেওঁ সোণাৰাম হাইস্কুলৰ প্রধান শিক্ষক হিচাপে যোগদান কৰে যদিও এডৱার্ড গেইটৰ যত্নত 1897 চনত তেওঁ ছাব ডেপুটি কলেক্টৰ পদত নিয়োজিত হয়। 1926 চনত তেওঁ ই.এ.চি. হিচাপে চাকৰিৰ পৰা অৱসৰ গ্রহণ কৰে। হেমচন্দ্র বৰুৱাৰ *হেমকোষ* প্রকাশৰ ক্ষেত্রত হেমচন্দ্র গোস্বামীয়ে আগভাগ লৈছিল। এডৱার্ড গেইটৰ প্রেৰণাত হেমচন্দ্র গোস্বামীয়ে অসমীয়া সংস্কৃতিৰ ইতিহাস চর্চা কৰিবলৈ লয়। তাৰ ফলস্বৰূপে প্রকাশ পায় *দৰং বংশাৱলী* [1917], *পুৰণি অসম বুৰঞ্জী* [1922] ইত্যাদি। তেওঁৰ দ্বাৰা সম্পাদিত অন্যান্য গ্রন্থ হৈছে ক্রমে— *কথা গীতা, শ্রীহস্ত মুক্তাৱলী* আৰু *হস্তী বিদ্যার্ণৱ*।

হেমচন্দ্র গোস্বামীৰ *প্রিয়তমাৰ চিঠি* অসমীয়া কবিতাৰ ইতিহাসত প্রথমটো ছনেট ৰচনা। তেওঁৰ একমাত্র কবিতা সংকলন হ'ল *ফুলৰ চাকি*। 1920 চনত তেজপুৰত বহা অসম সাহিত্য সভাৰ চতুর্থখন অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল। চৰকাৰী কামৰ পৰা অৱসৰ গ্রহণ কৰাৰ পাছত তেওঁ নলবাৰীৰ ভালেকেইটা গ্রামীণ বেংকৰ সভাপতি ৰূপে কার্যনির্বাহ কৰিছিল। বহুমুখী ব্যক্তিত্বৰ অধিকাৰী হেমচন্দ্র গোস্বামী একেধাৰে সফল প্রশাসনিক বিষয়া, বুৰঞ্জীবিদ, পুৰাতত্ত্ববিদ, সাংবাদিক, পণ্ডিত আৰু কবি আছিল। 1928 চনৰ 2 মে'তাৰিখে এই গৰাকী ব্যক্তিত্বসম্পন্ন পুৰুষৰ মৃত্যু ঘটে।

৬.৫.২ হেমচন্দ্র গোস্বামীৰ কবিতা

হেমচন্দ্র গোস্বামীৰ কবিতাসমূহৰ তিনিটা সুঁতি লক্ষ্য কৰিব পাৰি— 1) প্ৰকৃতি, 2] প্ৰেম আৰু, 3] স্বদেশ প্ৰেম।

ডেকা কালত হেমচন্দ্র গোস্বামীয়ে কাব্য চর্চা কৰিছিল। পাছলৈ তেওঁৰ মনোযোগ বিশেষভাবে আবদ্ধ হৈছিল প্ৰত্নতত্ত্বৰ প্ৰতি। *আসাম বন্ধু*, *জোনাকী*আৰু তাৰ পৰৱৰ্তীকালত ৰচিত কবিতাসমূহ একগোট কৰি *ফুলৰ চাকি*নামৰ কবিতা সংকলন এটি উলিওৱা হৈছিল। *আসাম বন্ধুত* প্ৰকাশিত কবিতাসমূহত কবিৰ কল্পনা আৰু প্ৰকাশভঙ্গীৰ সীমাবদ্ধতা লক্ষ্য কৰা যায়। তাৰ তুলনাত *জোনাকীত* প্ৰকাশিত কবিতাসমূহ ৰচনা সৌষ্ঠৱৰ ফালৰ পৰা অধিক উন্নত।

হেমচন্দ্র গোস্বামীৰ কবিতা শান্ত, স্নিগ্ধ প্ৰভাৱে জিলিকি আছে। তেওঁৰ সুপ্ৰসিদ্ধ কবিতা *পুৱাত* আন্ধাৰ পোহৰৰ দোমোজাৰ চিত্রকল্প উদ্ভাসিত হৈছে—

"স্বৰ্গৰ জেউতি দেখি ৰাজহাঁহ জুৰি
প্ৰেমৰ আলচ ভুলি গৈ
চিত্রৰ পুতলি যেন আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ।"

এই প্ৰকৃতিত ৰোমাণ্টিক কবিসত্তা সাৰ পাই উঠে—

"মাথোঁ যেন তেনেকৈয়ে
চুমা এটি খাম?
আলফুল কৰি যেন বুকুত শুৱাই
টোপনিতে লালকাল মুখখনি চাম।"

প্ৰকৃতিৰ অফুৰন্ত শক্তি আৰু মাহাত্ম্যৰ কথা অনুভৱ কৰি কবিয়ে কৈছে—

"গোলাপ, তগৰ, জাঁই, বকুল মালতী
ফুলাই মুখত দিছা
তুমিয়েই বিশ্ববাণী
ধীৰ বায়ু মাতি আনি,
লাহে লাহে ফুলনিত বলাই ফুৰিছা,
ঘৰে ঘৰে সুগন্ধৰ যোগান ধৰিব।"

প্ৰকৃতিৰ বুকুত কেতবোৰ ঘটনাই মানুহৰ মনত অবিস্মৰণীয় সৌন্দর্যৰ জোঁৱাৰ তোলে। গছ-বননি, আকাশ সকলোতে তাৰ স্বাক্ষৰ থাকি যায়।

প্ৰেমৰ স্নিগ্ধতাৰ অভিধা হেমচন্দ্র গোস্বামীৰ কবিতাত সজীৱ হৈ আছে। বেদনা আৰু মধুৰতাৰ সন্মিলনে মানুহৰ মন টোৱাই যায়—

"থাকোঁতে থাকোঁতে হায়
বুকুত ছবিটি নাই,
কান্দিলে বুকুৱে হাঁও হাঁও;
অনেক বিচাৰি চালো
নেপাই শপত খালোঁ
কাকো আৰু হিয়া নিবিলাওঁ।"

অইন দেশৰ উন্নতিৰ তুলনাত অসমৰ শ্ৰীহীন অৱস্থাৰ বাবে কবিৰ অন্তৰে কান্দি উঠে—

"সকলো দেশতে মধ্যাহ্ন আলোক
চোৱাঁ অসমত আজিও নিশা,
সকলো দেশতে বসন্ত হাঁহিছে
চোৱাঁ অসমত ঘোৰ বাৰিষা।"

ভাৰতবৰ্ষৰ দুৰৱস্থা দেখি কবি মৰ্মাহত হৈছে, অতীতৰ শৌৰ্য-বীৰ্য ম্লান পৰি গৈছে। ই নিজৰ মাজত কৰা কাজিয়াৰে ফলশ্ৰুতি। ৰমন্যাসবাদৰ কবিৰ *কল্পলোকত* আশাবাদ উপকৰণ হিচাপে আছে—

"দুখৰ কোলাত আমি সুখ বহুৱাম
দুখৰ তেজেৰে আই লেখনী ধুৱাম।
দেখিলে দুখৰ ছায়া,
মাতিম সুখৰ মায়া,
আশাৰ তৰীৰে দুখ-সাগৰ তৰিম,
নিজ্জীৱ প্ৰাণত ঘূৰি শক্তি সঞ্চাৰিম,"

হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সংখ্যা যিদৰে কম, তেনেদৰে তেওঁৰ কবিতাৰ বৈচিত্ৰও কম। অৱশ্যে তাৰ মাজতো *প্ৰিয়তমাৰ চিঠি* আৰু *পুৱা* কবিতা স্মৰণীয় হৈ থাকিব। হেমচন্দ্ৰ গোস্বামী বহুমুখী প্ৰতিভাৰ এজন অসাধাৰণ ব্যক্তি আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ তিনিটা সুঁতি কি কি, উদাহৰণসহ বহলাই লিখক ? (150টা শব্দৰ ভিতৰত)

৬.৫.৩ কবিতাটিৰ সাধাৰণ আলোচনা

হেমচন্দ্ৰ গোস্বামীৰ *প্ৰিয়তমাৰ চিঠি* অসমীয়া ছনেট। স্বামী-স্ত্ৰীৰ নিবিড় সম্পৰ্ক এই কবিতাটোত ৰূপায়িত হৈছে। দিলীপ বৰুৱাই "যোৱা শতিকাৰ কবিতা, অসমীয়া ৰমন্যাসী সাহিত্যৰ পৰম্পৰা" নামৰ গ্ৰন্থখনত আধুনিক যুগৰ আৰম্ভণিতে স্বামী-স্ত্ৰীৰ

মাজৰ গতানুগতিক সম্পর্কক লৈ যি পৰিৱর্তন আহিছিল তাৰ এক নিদর্শন এই ছনেটটো বুলি অভিমত আগবঢ়াইছে। জোনাকী যুগৰ ৰমন্যাসবাদৰ হোতা লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথাৰ লগত নৈতিকতা নিবিড়ভাবে যুক্ত কৰিছিল। তেনেদৰে কবিতাত ৰূপায়িত প্রেমৰ ক্ষেত্রতো নৈতিকতাক কষটি শিলা হিচাপে ব্যৱহাৰ কৰিছিল। হেমচন্দ্র গোস্বামীৰ *প্রিয়তমাৰ চিঠি*তো নৈতিকতা উপজীব্য হিচাপে আছে। নৱকান্ত বৰুৱাই 'অসমীয়া ছন্দশিল্পৰ ভূমিকা'ত কবিতাটোৰ ছন্দসজ্জা এনেদৰে দেখুৱাইছে—

সৌন্দর্য্যৰ বুকুৰ কাঁচলি উদঙাই Ô ক
প্রকৃতিৰ চোঁ-ঘৰ চালোঁ পিত্ পিত্ Ô খ
কুকুৰা-ঠেঙীয়া এই আখৰ কিটাত Ô খ
যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই। Ô ক
কবি-নিকুঞ্জত ফুলি কত কবিতাই Ô ক
মলয়াত উটি উটি ফুৰে পৃথিৱীত Ô খ
তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত Ô খ
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়। Ô ক
ফুল ফুলে, সৰি যায়, শুকায় বননি Ô গ
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে; Ô ঘ
তোমাৰ চিঠিয়ে, প্রিয়া, জানে কি মোহিনী, Ô গ
নিতৌ নেহোৱা বাহী ন ন ফুল মেলে। Ô ঘ
যত শুঙো, চুমা খাঁও, নালাগে আমনি, Ô গ
হৃদয়ত হেপাহৰ ভোতা তৰা জ্বলে।। Ô ঘ

কবিতাটোৰ ছন্দসজ্জাৰ মূল বস্তু হ'ল, অষ্টক আৰু ষড়কৰ ভাবগত সম্পর্ক। ইয়াৰ অষ্টকত এক বিস্ময়কৰ অৱতাৰণা কৰা দেখা গৈছে আৰু ষড়কটোত তাৰ কাৰণ সমাধান কৰা হৈছে। মুঠতে এটি ভাব-চেতনাৰ মধুৰ স্পন্দন আৰু তাৰ সুন্দৰ সংক্রান্তিৰে ইটোৰ লগত সিটো গ্রথিত। প্রথম স্তৱকটিত কবিৰ এটি মনোৰম আৱিষ্কাৰ ৰূপায়িত কৰা হৈছে, দ্বিতীয় স্তৱকত কবিৰ এই আৱিষ্কাৰক এটি তুলনাৰ জৰিয়তে মান্যতা প্রদান কৰা হৈছে।

৬.৫.৪ কবিতাটিত ৰমন্যাসিক চিন্তাৰ প্রতিফলন

প্রিয়তমাৰ চিঠি ছনেটটোত দাম্পত্য জীৱনৰ প্রণয়ৰ ছবি ৰূপায়িত হৈছে। অসমীয়া ৰমন্যাসবাদৰ ক্ষেত্রত প্রেমক নৈতিকতাৰ লগত যুক্ত কৰা দেখা যায়। সেয়ে পুৰুষ নাৰীৰ বিবাহ অনুমোদিত সম্পর্কই এই ছনেটটোৰ ৰমন্যাসবাদী চৰিত্রটোক সমল যোগাইছে। ডেকা গাভৰুৰ প্রণয়ৰ সম্পর্কৰ ক্ষেত্রত চিঠি পত্রৰ আদান প্রদানৰ কথাটো ৰমন্যাসবাদৰ বহু পূর্বে সাহিত্যত ৰূপায়িত হৈ আহিছে। সেইফালৰ পৰা বিষয়বস্তুৰ

ক্ষেত্রত এই ছনেটটোৰ অভিনৱত্ব নাই, কিন্তু ৰমন্যাসবাদৰ অন্য উপাদানবোৰে ছনেটটোৰ আকর্ষণীয়তা ম্লান পৰিবলৈ দিয়া নাই। বিষয়বস্তুৰ ক্ষেত্রত কবিৰ সততা মন কৰিবলগীয়া। এই সততাই ৰমন্যাসিক কবিৰ আবেগৰ স্বতঃস্ফূর্ত প্রকাশ সম্ভৱ কৰি তুলিছে। সৌন্দর্য স্পৃহা ৰমন্যাসিকতাৰ এটি বৈশিষ্ট্য। প্রকৃতিৰ বুকুত ৰমন্যাসিক কবিয়ে সৌন্দর্য বিচাৰি চলাথ কৰিছে। 'প্রকৃতিৰ চোঁ ঘৰ' বোলোতেও প্রকৃতিৰ বুকুত লালিত-পালিত সৌন্দর্য-সুষমাৰ কথাই আমাৰ মনলৈ আহে—

"সৌন্দর্য্যৰ বুকুৰ কাঁচলি উদঙাই
প্রকৃতিৰ চোঁ ঘৰ চালো পিত্ পিত্"

কবিতাটিত প্রকৃতি আৰু আত্ম উপলব্ধিক একাকাৰ কৰি ৰমন্যাসিকতাক সমৃদ্ধ কৰা হৈছে। এই আত্ম উপলব্ধি আধুনিকতাবাদী কবিতাৰ আত্ম সচেতনতাৰ পৰা বহু নিলগৰ বস্তু। ৰমন্যাসিক কবিৰ আত্ম উপলব্ধি এয়ে যে প্রিয়তমা পত্নীৰ অগঢ়ী আখৰ কেইটাতে তেওঁ সৌন্দর্য বিচাৰি পাইছে। সৌন্দর্যৰ এই অনুভূতি সম্পূর্ণ আত্মগত। এই আবেগ যুক্তিৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্রিত হোৱা নাই।

তত্ত্বগত দিশৰ পৰাও এই ছনেটটোৰ পংক্তিয়ে ৰমন্যাসিক কল্পনা মূর্ত কৰি তুলিছে। ৰমন্যাসিক কবিৰ দৃষ্টিত কবিতাৰ ভাববোৰ বতাহত উটি ভাহি ফুৰে। এই ভাববোৰ অমসৃণ। ৰমন্যাসিক কবি এজনে এই অপৰিশীলিত ভাববোৰক শিল্পবস্তুলৈ ৰূপান্তৰিত কৰিব বিচাৰে। ভাববোৰ আয়ত্বলৈ আনি ৰসপূর্ণ কৰি নোতোলালৈকে তেওঁলোক ক্ষান্ত নহয়। *প্রিয়তমাৰ চিঠি*ৰ ক্ষেত্রতো সামান্য বেলেগ ভাবেৰে এনে পৰিৱেশত বিচৰণশীল ভাবৰ কথা প্রকাশ পাইছে—

"কবি নিকুঞ্জত ফুলি কত কবিতাই
মলয়াত উটি উটি ফুৰে পৃথিৱীত"

ৰমন্যাসিক আকুলতা, উচ্ছাস ছনেটটোৰ জৰিয়তে সুন্দৰভাবে উদ্ভাসিত হৈছে। আনকি প্রকৃতিৰো ক্ষণস্থায়িত্বৰ কথা কৈ প্রিয়তমা পত্নীৰ চিঠিখনৰ অভিনৱ স্থায়িত্ব ঘোষিত হৈছে—

"ফুল ফুলে, সৰি যায়, শুকায় বননি;
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে।
তোমাৰ চিঠিয়ে, প্রিয়ে, জানে কি মোহিনী,
নিতৌ নোহোৱা বাহী ন ন ফুল মেলে।
যত শুঙো, চুমা খাঁও, নালাগে আমনি,
হৃদয়ত হেপাহৰ ভোতা তৰা জ্বলে।।"

এইটো ৰমন্যাসবাদী অসমীয়া কবিতাত দুর্লভ গোন্ধ লোৱা কার্য উল্লেখ আছে। ইন্দ্রিয়জ অনুভূতিৰ এই প্রকাশে কবিতাটোক অভিনৱত্ব প্রদান কৰিছে।

"যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোতা তৰা জ্বলে।।"

চনেটটোৰ শেষৰ শাৰীটোৰে ব্যঞ্জিত হৈছে ৰমন্যাসিক আশাবাদ, যিয়ে কবিৰ কল্পলোক গঢ়ি তুলিছে—

"হৃদয়ত হেঁপাহৰ ভোতা তৰা জ্বলে"

দিলীপ বৰুৱাই শব্দ ব্যৱহাৰৰ ক্ষেত্রতো ৰমন্যাসিকতাৰ ভালেমান উপাদান লক্ষ্য কৰিছে। সেইবোৰ হ'ল— 'বুকুৰ কাঁচুলি', 'বসন্তৰ কুঁহিপাত', 'মলয়া বতাহ', 'কবিৰ নিকুঞ্জ বন', ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃএই কবিতাটিৰ আধাৰত অসমীয়া ছনেট কবিতাৰ ইতিহাসত হেমচন্দ্র বৰুৱাৰ স্থান নিৰূপণ কৰক ।

(150টা শব্দৰ ভিতৰত)



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি হেমচন্দ্র গোস্বামীৰ কাপ নিসৃত *প্রিয়তমাৰ চিঠি* শীর্ষক ছনেট বা চতুর্দশপদী কবিতাটোৰ আলোচনা পঢ়িলোঁ। এই আলোচনাৰ পৰা আমি *প্রিয়তমাৰ চিঠিৰ* বিষয়বস্তুৰ লগতেই যে পৰিচিত হ'লোঁ তেনে নহয়, বৰঞ্চ তাৰ লগে লগে ইংৰাজী ছনেটৰ চমু পৰিচয় লাভ কৰিছোঁ।
- ৰমন্যাসবাদী আন্দোলনৰ ফলত আধুনিক অসমীয়া সাহিত্যলৈ আমদানি ঘটা ছনেট শ্রেণীৰ কবিতা, ছনেটৰ বৈশিষ্ট্য, ইত্যাদি বিভিন্ন দিশৰ বিষয়ে এটি ধাৰণা লাভ কৰিলোঁ।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] বৰা, মহেন্দ্র (2003); *অসমীয়া কবিতাৰ ছন্দ*, বাণী মন্দিৰ, ডিব্রুগড়।

2] বৰুৱা, দিলীপ (2004); *যোৱা শতিকাৰ কবিতা 'অসমীয়া ৰমন্যাসী সাহিত্যৰ পৰম্পৰা'*, জ্যোতি প্রকাশন, গুৱাহাটী।

3] বৰুৱা, নৰকান্ত (1987); *অসমীয়া ছন্দ শিল্পৰ ভূমিকা*, গুৱাহাটী।

4] হাজৰিকা, কৰবী ডেকা (1998); *অসমীয়া কবিতা*; বনলতা, গুৱাহাটী।

ইংৰাজী গ্ৰন্থ ঃ

1) Abrams, M. H. (1995); *A Glossary of Literary Terms*; Madras: Macmillan India Limited.



৬.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ছনেট মানে কি, ক'ত, কেনেকৈ আৰম্ভ হ'ল... ...ইংলণ্ডত ছনেটে কেনেদৰে প্ৰসাৰ লাভ কৰিলে... ...ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ হেমচন্দ্ৰ গোস্বামীৰ চমু পৰিচয় ... ... তেওঁৰ কাব্য কৃতিৰ চমু পৰিচয়... ...অসমীয়া কবিতাৰ ইতিহাসত ছনেটকাৰ হিচাপে তেওঁৰ স্থিতি... ...তেওঁৰ কবিতাৰ প্ৰধান তিনিটা সুঁতিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া প্ৰথম ছনেটকাৰ হিচাপে হেমচন্দ্ৰ গোস্বামী... ...আমাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কবিতাটোৰ আধাৰত তেওঁৰ অসমীয়া কবিতাৰ ইতিহাসত ছনেটকাৰ হিচাপে তেওঁৰ স্থিতিৰ বিষয়ে আলোচনা কৰিব লাগিব।



৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ছনেটৰ উদ্ভৱ ক'ত হৈছিল? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাসত হেমচন্দ্ৰ গোস্বামীৰ স্থান নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া কবিতাৰ ইতিহাসত প্ৰথম ছনেট ৰচোতা হিচাপে হেমচন্দ্ৰ গোস্বামীৰ অৱদানসমূহ মূল্যায়ন কৰক।

প্ৰশ্ন ৪ ঃ *প্ৰিয়তমাৰ চিঠিত* ফুটি উঠা ছনেটৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ প্ৰসঙ্গ সংগতি দৰ্শাই ব্যাখ্যা কৰক—

সৌন্দৰ্য্যৰ বুকুৰ কাঁচলি উদঙাই,ঐপ্ৰকৃতিৰ চোঁ ঘৰ চালো পিত পিত;
কুকুৰা-ঠেঙীয়া এই আখৰ কিটিতঐযি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই।

*** ***** ***